AMAZING FACTS India

# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

## জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

## আশ্চৰ্য্যজনক তেল

২য় ৰাজাৱলি ৪:১-৭

## কাহিনী...



**ইলীচাৰ** চকুত পৰিছিল যে গাভৰু বিধবাজনী একেবাৰে নৈৰাশ্যতাত ভুগিছিল। তাই বৃদ্ধ ভাৱবাদী গৰাকীৰ ভৰিত দীঘল দি পৰিছিল আৰু উচুপি উচুপি কান্দি কৈছিল, “ধাৰে দিওতা মহাজনে মোৰ লৰা দুটাক তাৰ চাকৰ কৰিবলৈ লৈ যাবলৈ আহিছে”! সেই তিৰোতাজনীৰ স্বামী গৰাকী অনাকাংখিত ভাৱে মৃত্যু হৈছিল আৰু পৰিশোধ কৰিব নোৱাৰা বিধৰ এটা ধাৰ তাইৰ ওপৰত এৰিথৈ গৈছিল। বাইবেলৰ সময়ত, এজন ধাৰে দিওঁতাই সম্পত্তি বাজেয়াপ্ত কৰাৰ অধিকাৰ পাইছিল আৰু এনেকি যদি এটা পৰিয়ালে ধাৰ পৰিশোধ কৰিব নোৱাৰে, পৰিশোধ কৰাৰ বাবদ লৰা-ছোৱালীক উঠাই নিব পাৰিছিল (ইয়োব ২৪:৯)

“তোমাৰ ঘৰত কি আছে”? ইলীচাই চিন্তাত বৰকৈ হাইৰাণ হোৱা মাকক সুধিছিল।

“মোৰ ঘৰত একুপা তেলৰ বাহিৰে আৰু একোৱেই নাই”, তাই উত্তৰ দিছিল। সেই নিৰ্দ্দয়, নিষ্ঠুৰ ধাৰে দিওঁতা মানুহজনক এপাত দুপাত কৈ ঘৰৰ আচ-বাব আৰু মূল্যৱান বস্তুবোৰ দিওঁতে দিওঁতে আটাইবোৰ শেষ হৈছিল আৰু লৰা দুটা আৰু এই একুপা তেলখিনিৰ বাহিৰে আন একো নাছিলগৈ। সেই সময়ত জলফাই তেলক অত্যাৱশ্যকীয় সামগ্ৰী হিচাপে বিবেচনা কৰা হৈছিল। ইয়াক চাকি জ্বলাবলৈ, তপতাবলৈ, ৰান্ধিবলৈ আৰু সুস্হ কৰাতো ব্যৱহাৰ কৰা হৈছিল।

ইলীচাই সেই বিধবাজনীক আৰু তাইৰ লৰা দুটাক গৈ সিহঁতৰ ওচৰ চুবুৰীয়াৰ পৰা যিমান পাৰে সিমান খালী পাত্ৰ খুজি আনিবলৈ কৈছিল। সিহঁতে সেইবোৰ ঘৰলৈ আনি, দুৱাৰ বন্ধ কৰি আৰু তাৰ পাছত তাইৰ সৰু পাত্ৰটোৰ পৰা তেল ঢালি সেই খালী পাত্ৰবোৰত ভৰাবলগীয়া আছিল। সিহঁতে ইলীচাই শিকোৱাৰ দৰেই কৰিছিল, আৰু এক আশ্চৰ্য্যজনক কাৰ্য্য সংঘটিত হৈছিল। সেই সৰু পাত্ৰটোৰ পৰা তেল ওলায়েই আছিল যেতিয়ালৈকে সকলোবোৰ খালী পাত্ৰ ভৰ্ত্তি হোৱা নাছিল!

“এতিয়া আমি কি কৰিম”? গাভৰু মাক জনীয়ে ভাৱবাদী গৰাকীক সুধিছিল।

“তেল বেচি তোমাৰ ধাৰ সুজাগৈ, আৰু অৱশিষ্ট যি থাকিব, তাৰে তোমাৰ আৰু তোমাৰ লৰাহঁতৰ জীৱিকা চলাবা”, তেওঁ কৈছিল।

ঈশ্বৰ যিহোৱাই আপোনাক এজন নিৰ্দ্দয় নিষ্ঠুৰ ধাৰে দিওঁতাৰ পৰা উদ্ধাৰ কৰিব বিচাৰে যাৰ নাম হৈছে চয়তান। এই আচৰিত ঘটনাটো সেই তেতিয়া ঘটিব যেতিয়া তেওঁৰ বিশেষ তেলেৰে আপোনাৰ পাত্ৰটো উপচি পৰিব!



পাঠ নং-২১

# অধ্যয়ন

*তলত দিয়া প্ৰতিটো বাইবেল পদ পঢ়াৰ পাছত খালী ঠাইবোৰ পুৰন কৰিব।*

## ১. বাইবেলত, কিহক এটা পাত্ৰ আৰু তেলৰ দ্বাৰাই সূচোৱা হয়?

**ক. পাচনিকৰ্ম ৯:১৫** *কিন্তু প্ৰভুৱে তেওঁক কলে, ... সেই জন মোৰ মনোনীত ______________________ ।*

**খ. ১ম চমূৱেল ১৬:১৩** *তেতিয়া চমূৱেলে তেলৰ শিংটো লৈ, তেওঁৰ ককায়েকবিলাকৰ মাজত তেওঁকেই অভিষেক কৰিলে তাতে সেই দিনৰ পৰা যিহোৱাৰ ______________________ অতিশৰূপে দায়ুদত স্হিতি হল।*

**টোকা:** বাইবেলে শিকাই যে ঈশ্বৰ হৈছে কুমাৰ আৰু আমিবোৰ হৈছোঁ মাটিৰ পাত্ৰ (যিৰিমিয়া ১৮:১-৬; ৰোমীয়া ৯:২০, ২১)। সকলোকে এক নিৰ্দ্দিষ্ট উদ্দেশ্যত সৃষ্টি কৰা হৈছে। ঈশ্বৰৰ আত্মাৰ এটা প্ৰতীক হিচাপে তেলক সমুদায় বাইবেলত ব্যৱহাৰ কৰা হৈছে। তেওঁৰ পবিত্ৰ আত্মাই আমাৰ মনবোৰত কেনেকৈ পোহৰাই ৰাখে তাৰ এটা বিৰৰণ হিচাপে ঈব্ৰীয়াবিলাকৰ মন্দিৰত ৰখা পোহৰৰ চাকিবোৰক জ্বলাই ৰাখিবলৈ বিশুদ্ধ জলফাই তেল ব্যৱহাৰ কৰা হৈছিল। এইটো ঈশ্বৰৰ আকাংক্ষ্যা যেন তেওঁৰ লোকসকল তেওঁৰ আত্মাৰে পৰিপূৰ্ণ হৈ থাকে (যোৱেল ২:২৮)।

## ২. পবিত্ৰ আত্মা এটা নৈৰ্ব্যক্তিক শক্তি নেকি বা তেওঁ ঈশ্বৰ নেকি?

**পাচনিকৰ্ম ৫:৩, ৪** *তাতে পিতৰে কলে, হে অননিয়, মাটিৰ ধনৰ এভাগ নিজলৈ ৰাখি, ______________________ ______________________ আগত মিছা কবলৈ, চয়তানে কিয় তোমাৰ হৃদয় পূৰ কৰিলে ... ঈশ্বৰৰ আগতহে মিছা কথা কলা।*

**ইফিচীয়া ৪:৩০** *আৰু ঈশ্বৰৰ যি পবিত্ৰ আত্মাত মুক্তি-দিনৰ কাৰনে মোহৰ মৰা হলা, তেওঁক ______________________ নকৰিবা।*

**টোকা:** পাচনি পৌলে ঘোষণা কৰিছিল যে পবিত্ৰ আত্মাৰ আগত মিছা কোৱা মানে হৈছে ঈশ্বৰৰ আগত মিছা কোৱা। ইয়াৰোপৰি, যীচুৱে আমাক পিতা, পুত্ৰ আৰু পবিত্ৰ আত্মাৰ নামত বাপ্তিস্ম লবলৈ কৈছিল (মথি ২৮:১৯, ২০), আৰু এইদৰে ইঙ্গিত কৰিছে যে পবিত্ৰ আত্মা ঈশ্বৰৰ তৃতীয় জনা ব্যক্তি, যাক পিতৃ আৰু পুত্ৰৰ সৈতে সম-অৱস্হানত ৰখা হৈছে। বাইবেলে ইয়াকো কৈছে যে আমি পবিত্ৰ আত্মাক দুখ দিব পাৰোঁ, যাৰ অৰ্থ হৈছে তেওঁৰ আবেগ অনুভূতি আছে। তেওঁ মাথো এজন নৈৰ্ব্যক্তিক শক্তি নহয়। শাস্ত্ৰবাক্যত পবিত্ৰ আত্মাক সহায়কৰ্ত্তা, পবিত্ৰ আত্মা, সত্যৰ আত্মা, ঈশ্বৰৰ আত্মা, ঈশ্বৰৰ সাত আত্মা, আৰু কেতিয়াবা মাত্ৰ আত্মা বুলিও দেখুওৱা হৈছে। এই আটাইবিলাক উপাধিয়েই ব্যক্তিত্বক বুজায়।

## ৩. পবিত্ৰ আত্মাৰ মূখ্য কাৰ্য্য কি?

**যোহন ১৬:১৩** *কিন্তু সেই সত্যৰ আত্মা যেতিয়া আহিব, তেতিয়া তেওঁ আটাই সত্যলৈ তোমালোকক পথ ______________________ নিব ... আৰু তোমালোকক ভৱিষ্যত কথা ______________________ ।*

**যোহন ১৪:২৬** *সেই সহায়কৰ্ত্তা অৰ্থাত পবিত্ৰ আত্মাই তোমালোকক সকলো কথা ______________________, মই কোৱা আটাই কথা তোমালোকক সোঁৱৰাব।*

**টোকা:** যীচুৱে আমাৰ লগত সদায় থকিবলৈ প্ৰতিজ্ঞা কৰিছিল,আৰু এয়া পবিত্ৰ আত্মাৰ সেই ব্যক্তি জনাই হয় যি আমাৰ লগত আৰু আমাত থাকে (যোহন ১৪:১৭)।

## ৪. সেইটো কি পাপ যাক ক্ষমা কৰিব নোৱাৰি?

**মথি ১২:৩২** *কিন্তু যি জনে পবিত্ৰ আত্মাৰ ______________________ কথা কয়, তেওঁ ইহলোকত আৰু পৰলোকতো ক্ষমা ______________________ ।*

**টোকা:** পবিত্ৰ আত্মাক নিন্দা কৰাতো মাথোন এটা অপৰাধ নহয়, কিন্তু সত্যত সোমাবলৈ নিদিয়া এটা অবিৰত প্ৰতিৰোধ যাৰ ফলস্বৰূপে ঈশ্বৰৰ ইচ্ছাক চূড়ান্তভাৱে প্ৰত্যাখ্যান কৰা হয় (ইব্ৰী ১০:২৬, ২৭)। যেতিয়া এজন ব্যক্তিয়ে পবিত্ৰ আত্মাৰ অনুনয় বিনয়ক বাৰে বাৰে বাধা দিয়ে আৰু অৱমাননা কৰে ব্যক্তিজনৰ বিবেক কঠিন হৈ পৰে আৰু তাৰ পাছত সি আৰু তেওঁৰ মাত নুশুনা হয়। গতিকে, কোনোবা ব্যক্তিয়ে "ক্ষমা নোহোৱা পাপ" কৰিলো বুলি যদি ভয় খায় আছে তেওঁ সম্ভৱত হয়তো তেনে নাই কৰা।

## ৫. এজন ব্যক্তিয়ে পবিত্ৰ আত্মাৰ পৰা লাভ কৰিব পাৰা আৰু কিছুমান বৰদান কি কি বাৰু?

**১ম কৰিন্থীয়া ১২:৮-১০** *তাতে আত্মাৰ দ্বাৰাই এজনক ______________________ কথা, একে আত্মাৰ ইচ্ছা অনুসাৰে আন জনক ______________________ কথা, একে আত্মাৰে আন জনক ______________________ দিয়া হৈছে; সেই আত্মাৰ দ্বাৰাই কোনোক ______________________ কৰিব পৰা বৰ, আন কোনোক ______________________ কৰিবৰ, আন কোনোক ______________________ কবৰ, আন কোনোক আত্মাবিলাক চিনিবৰ, আৰু আন কোনোক ______________________ প্ৰকাশ কৰিবৰ শক্তিৰূপ বৰ দিয়া হৈছে।*

**টোকা:** যেতিয়া পবিত্ৰ আত্মা আমাৰ হৃদয়লৈ নামি আহে, তেওঁ বিভিন্ন বৰ-দান লগত লৈ আহে। প্ৰত্যেকেই একে বৰ নাপায় (১ম কৰিন্থীয়া ১২:২৯-৩১)। আত্মাৰে পৰিপূৰ্ণ হোৱাৰ আৱশ্যকতাৰ বিষয়ে শাস্ত্ৰবাক্যই সঘনাই ব্যাখ্যা আগবঢ়াইছে। যোহন ৩:৫ পদত যীচুৱে শিকাইছিল যে "জল আৰু আত্মাত নতুনকৈ জন্ম নাপালে কোনেও ঈশ্বৰৰ ৰাজ্যত সোমাব নোৱাৰে"। অতি দুখলগাকৈ, পবিত্ৰ আত্মা আৰু তেওঁৰ কামক প্ৰায়েই ভুলকৈ বুজি লোৱা হয়। কিছুমান মানুহে শিকাই যে পবিত্ৰ আত্মা হেনো এটা নৈৰ্ব্যক্তিক শক্তি; লোকসমূহৰ নিত্য নৈমিত্তিক কাৰু-কাৰ্য্যত পৰা তেওঁৰ প্ৰভাৱক আন কিছুমানে আকৌ অস্বীকাৰ কৰে; আৰু আন কিছুমানে এতিয়াও শিকাই আছে যে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হলে হেনো পৰভাষাত কথা কবই লাগিব।

## ৬. কৰিন্থীয়া মন্ডলিটোত আত্মিক বৰৰ ক্ষেত্ৰত কোন এটা বিষয়ত বিবাদ হৈছিল?

**১ম কৰিন্থীয়া ১৪:১,২** *তোমালোকে প্ৰেমক খেদি যোৱা; আৰু আত্মিক বৰবিলাকলৈ, বিশেষকৈ ঐশ্বৰিক ভাবোক্তি প্ৰচাৰ কৰিবৰ শক্তিলৈ হাবিয়াহ কৰা। কিয়নো যি জনে ______________________ কয়, তেওঁ মানুহক নকৈ ঈশ্বৰকহে কয়।*

**টোকা:** আদি খ্ৰীষ্টিয়ান মন্ডলিৰ দিনবিলাকত হোৱাৰ দৰে, পৰভাষা কোৱা বৰটো আকৌ এবাৰ খেলিমেলি আৰু বিবাদৰ এটা বিষয়ত পৰিণত হল। সেই কাৰনে, এইটো আত্মিক বৰৰ বিষয়ে বাইবেলে কি শিকাইছে তাৰ ব্যাখ্যা দিবলৈ এই পাঠটোত আমি এটা বিশদ অংশ যোগ দিছোঁ।

## ৭. গোটেই জগতত শুভবাৰ্ত্তা প্ৰচাৰ কৰিবলৈ তেওঁৰ শিষ্যবিলাকক কেনেকৈ সহায় কৰিম বুলি যীচুৱে প্ৰতিজ্ঞা কৰিছিল?

**মাৰ্ক ১৬:১৭** *নতুন নতুন* ______________________ *কথা কব।*

**টোকা:** বাইবেলত "জিভা" [tongue] শব্দটোৰ সাধাৰণ অৰ্থটো হৈছে ভাষা (অসমীয়াত ঠিকেই আছে)। যীচুৰ শিষ্যবিলাক বুদ্ধিমান মানুহ আছিল, কিন্তু তেওঁবিলাকৰ প্ৰায়েই অশিক্ষিত আছিল। পৃথিবীৰ প্ৰান্তে প্ৰান্তে শুভবাৰ্ত্তা প্ৰচাৰ কৰাত সহায় কৰিবলৈ, সেই পৰভাষাবোৰ কবলৈ যীচুৱে তেওঁবিলাকক এটা অলৌকিক বৰ দিম বুলি প্ৰতিজ্ঞা কৰিছিল যি পৰভাষাবোৰক কেওঁবিলাকে আগতে শিকা নাছিল বা জনা নাছিল।

## ৮. নামি অহা পবিত্ৰ আত্মা যেতিয়া শিষ্যবিলাকে লাভ কৰিছিল তেতিয়া কি ঘটিছিল?

**পাচনিকৰ্ম ২:১, ৪** ______________________ *পৱ্ব উপস্থিত হলত, তেওঁবিলাক সকলোৱে একেলগে এঠাইত গোটখাই আছিল ... তাতে তেওঁবিলাক সকলোৱে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ, আত্মাই কবলৈ দিয়াৰ দৰে আন আন* ______________________ *কথা কবলৈ ধৰিলে।*

**টোকা:** পঞ্চাশ-দিনীয়া পৱ্ব আছিল যিহুদীবিলাকৰ এটা পবিত্ৰ দিন যাক নিস্তাৰ পৱ্বৰ পাছত ৫০ দিন পালন কৰা হৈছিল। পৃথিবীৰ সকলো দিশৰ পৰা ভক্তিপৰায়ণ যিহুদী সকলে সেৱা-আৰধনা কৰিবলৈ যিৰূচালেমলৈ আহিছিল। তেওঁৰ আত্মাৰ যোগেদি, ঈশ্বৰে এইটো সময়তে, এই লোকসমুহক নিজৰ নিজৰ ভাষাতেই শুভবাৰ্ত্তা দিবলৈ শিষ্যবিলাকক শক্তিশালী কৰিবলৈ পৰভাষা কব পাৰা বৰ প্ৰদান কৰিছিল। যিবিলাকে বিশ্বাস কৰিছিল, তেওঁবিলাকে তেতিয়াই সেই শুভবাৰ্ত্তাক তেওঁবিলাকৰ নিজৰ নিজৰ দেশলৈ কঢ়িয়াই লৈ গৈছিল।

## ৯. যেতিয়া পবিত্ৰ আত্মা বাকি দিয়া হৈছিল তেতিয়া এই বিদেশী যিহুদীবিলাকে কি অভিজ্ঞতা পাইছিল?

**পাচনিকৰ্ম ২:১১** *আমি আমাৰ নিজৰ নিদৰ* ______________________ *এওঁবিলাকে ঈশ্বৰৰ মহত কৰ্ম্মৰ কথা কোৱা* ______________________ *আছোঁ।*

**টোকা:** এই ক্ষেত্ৰত কেতিয়াবা কোৱা শুনিবলৈ পোৱা যায় যে, পৰভাষা কোৱা বৰ টো হেনো এটা "স্বৰ্গীয় ভাষা" যাক মাত্ৰ ঈশ্বৰে বা ইয়াক অনুবাদ কৰিবলৈ বৰ পোৱা সকলেহে বুজি পায়। বাইবেলে ইয়াত অতি স্পষ্টকৈ দেখুৱাইছে যে, যিবোৰ প্ৰচাৰ কৰি থকা হৈছিল তাক শিষ্য আৰু শ্ৰোতা উভয়েই বুজি পাইছিল—"ঈশ্বৰৰ মহত কৰ্ম্ম"। পৰভাষা বা অন্য ভাষাত কথা কোৱাৰ মাত্ৰ তিনিটা উদাহৰণ শাস্ত্ৰবাক্যত আছে। আমি ইতিমধ্যে প্ৰথমটো চালো; এতিয়া আহক এই বৰটোৰ বিষয়ে এটা স্পষ্ট চিত্ৰৰ বাবে আন দুটা উদাহৰণক চাওঁহক।

## ১০. পিতৰে যেতিয়া কৰ্ণিলিয়াচ আৰু তেওঁৰ ঘৰৰ পৰিয়াল সকলৰ আগত প্ৰচাৰ কৰিছিল তেতিয়া কি ঘটিছিল?

**পাচনিকৰ্ম ১০:৪৪, ৪৬** *পিতৰে এই কথা কওঁতেই, শুনা-সকলোবিলাকৰ ওপৰত পবিত্ৰ আত্মা পৰিল ... কিয়নো তেওঁবিলাকে নানা ভাষাৰে কথা কৈ ঈশ্বৰৰ* ______________________ *কৰা শুনিলে।*

**টোকা:** কৰ্নিলিয়াচ ইতালীয়া সৈন্যদলৰ সেনাপতি আছিল (পাচনিকৰ্ম ১০:১), আনহাতে পিতৰ আছিল এজন যিহুদী আৰু আৰামীয়া ভাষা কওঁতা। বুৰঞ্জীয়ে আমাক ইয়াকো কয় যে এখন ৰোমীয়া ঘৰত গোটখোৱা দাসসকল পৃথিবীৰ বিভিন্ন ঠাইৰ পৰা অহা লোকো হয়তো আছিল। ফলস্বৰূপে, এই মিতিঙত ভাষাৰ প্ৰতিবন্ধক আছিল। যিয়েই নহওক, যেতিয়া পবিত্ৰ আত্মা কৰ্নিলিয়াচ আৰু তেওঁৰ ঘৰৰ পৰিয়ালৰ সদস্যসকলৰ ওপৰত পৰিছিল, তেতিয়া পিতৰৰ লগত একেলগে যোৱা মানুহবিলাকে তেওঁবিলাকক তেওঁবিলাকৰ নিজৰ ভাষাৰ বাদেও আন আন ভাষা কোৱা শুনিছিল। এই ভাষাবোৰত তেওঁবিলাকে তেওঁলোকক "ঈশ্বৰৰ স্তুতি কৰা" শুনিছিল। পৰবৰ্ত্তী সময়ত এই অভিজ্ঞতাৰ কথা যেতিয়া যিৰূচালেমত থকা মন্ডলিৰ লীডাৰ বিলাকৰ আগত জনোৱা হৈছিল, তেতিয়া পিতৰে কৈছিল, "আমাৰ ওপৰত যেনেকৈ পবিত্ৰ আত্মা পৰিছিল, তেনেকৈ তেওঁবিলাকৰ ওপৰতো পৰিছিল" (পাচনিকৰ্ম ১১:১৫)। কৰ্নিলিয়াচ আৰু তেওঁৰ ঘৰৰ লোকবিলাকে পৰভাষা কোৱা সেই একেটা বৰকে পাইছিল যেনেকৈ শিষ্যবিলাকে পঞ্চাচ-দিনীয়া পৰ্ব্বৰ দিনা পাইছিল। তেওঁবিলাকে সেই ভাষাবোৰতহে কথা কৈছিল যাক বুজিব পৰা গৈছিল।

## ১১. ইফিচীয়াৰ ১২ জন শিষ্যৰ আগত পৌলে যেতিয়া প্ৰচাৰ কৰিছিল তেতিয়া কি ঘটিছিল?

**পাচনিকৰ্ম ১৯:৬** *তেওঁবিলাকৰ ওপৰলৈ পবিত্ৰ আত্মা নামি আহিল; তাতে তেওঁবিলাকে নানা ভাষাৰে কথা কৈ* ________________________ *প্ৰচাৰ কৰিলে।*

**টোকা:** পৌল, যি জনে পাচনিবিলাকৰ ভিতৰত আটাইতকৈ অধিত শিক্ষিত আছিল আৰু আটাইতকৈ অধিক ঠাই ভ্ৰমণ কৰিছিল, বহুতো পৰভাষা কৈছিল (১ম কৰিন্থীয়া ১৪:১৮)। এই বাৰ জন ইফিচীয়া মানুহৰ ওপৰত যেতিয়া পবিত্ৰ আত্মা পৰিছিল, পৌল আৰু লূকে, ভাবোক্তি প্ৰচাৰ কৰা সেই ভাষাবোৰক বুজি পাইছিল যি ভাষাবোৰক তেওঁবিলাকে আগতে জনা নাছিল।

## ১২. বাইবেলে সেই ভাষাটোৰ বিষয়ে কি কৈছে যিটোক বুজি পোৱা নাযায়?

**১ম কৰিন্থীয়া ১৪:৯** *সেইদৰে তোমালোকেও, যদি* ________________________ *বুজিব পৰা কথা জিবাৰে নোকোৱা, তেন্তে যি কোৱা যায়, তাক কেনেকৈ জনা যাব?*

**১ম কৰিন্থীয়া ১৪:১৯** *তথাপি মন্ডলিত পৰভাষাৰে দহ হাজাৰ কথা কোৱাতকৈ, মানুহক* ________________________ *দিবলৈ, বুদ্ধিৰে পাচোঁতা কথাকে কবলৈ ভাল পাওঁ।*

**টোকা:** পৌলে বাৰে বাৰে ব্যাখ্যা কৰিছিল যে এটা জিবা অৰ্থাত ভাষাৰ উদ্দেশ্য হৈছে যোগাযোগ কৰা বা সত্যটোক শিকোৱা। "অজান" শব্দটোৰ এটা গ্ৰীক শব্দ যিকোনো অৰিজিনেল (মূল) বাইবেল পান্ডুলিপিত বিচাৰি পোৱা নাযায়, কিন্তু ইয়াক এটা ইঙ্গিত হিচাপেহে অনুবাদক সকলৰ দ্বাৰাই যোগান ধৰা হৈছিল যাতে ভাষাটো যে উপস্হিত সকলৰ বহুতৰ বাবে বিজাতীয় তাক দেখুৱাব পাৰে। কৰিন্থীয়াত থকা মন্ডলিটো বহুতো বিভিন্ন জাতিৰে গলাই তৈয়াৰ কৰা এটা পাত্ৰৰ নিচিনা আছিল, আৰু কেতিয়াবা গীৰ্জা প্ৰাৰ্থনা বোৰ খেলিমেলি ধৰণৰ হৈছিল যেতিয়া সভ্য/সভ্যা সকলে তাত উপস্হিত থকা আনবিলাকে নজনা ভাষাত প্ৰাৰ্থনা কৰিছিল, সাক্ষ্য আৰু উপদেশ দিছিল। সেই কাৰনে পৌলে, তাত উপস্হিত থকা অধিকাংশ লোকে বুজি নোপোৱা ভাষা কবলৈ বিচৰা সকলক মনে মনে থাকিবলৈ আদেশ দিছিল, যেতিয়ালৈকে সেই ভাষাক অনুবাদ কৰিবলৈ তাত কাৰোবাক বিচাৰি পোৱা নাযায় (১ম কৰিন্থীয়া ১৪:২৮)। আমাৰ নিমিত্তে শিক্ষা এইটোৱেই যে যি ভাষাটোক উপস্হিত থকা আনবিলাকে বুজি নাপায় আমি তেনে ভাষাত শিক্ষা দিয়া বা প্ৰাৰ্থনা কৰা উচিত নহয়।

## ১৩. প্ৰাচীন বাবিলৰ প্ৰধান চৰিত্ৰটো কি আছিল?

**আদিপুস্তক ১১:৭, ৯** *আহা, আমি নামি, সিহঁতৰ এজন আন জনৰ মাত বুজিব ______________________ সেই ঠাইত সিহঁতৰ ভাষাৰ ______________________ জন্মাওঁগৈ ... এই হেতুকে তাৰ নাম ______________________ (ভেদ) ৰখা হল।*

**টোকা:** বাবেলৰ অতি ওখ স্তম্ভটোক সেই স্হানতে স্হাপন কৰা হৈছিল যত পৃথিবীৰ ভাষাবোৰ সৰ্ব্বপ্ৰথম বাৰৰ বাবে বিমোৰত পৰিছিল। বাবেল আৰু বাবিল উভয়ৰ বাবেই হিব্ৰু (ইব্ৰীয়া) শব্দটো হৈছে “বাবেল” যাৰ অৰ্থ হৈছে “খেলিমেলি” বা “বিবুদ্ধি”। প্ৰকাশিতবাক্য ১৮ অধ্যায়ত, ঈশ্বৰে তেওঁৰ নিজৰ লোকবিলাকক আত্মিক বাবিলৰ পৰা ওলাই আহিবলৈ আহ্বান কৰিছে। আত্মিক বাবিলৰ এটা চৰিত্ৰ হৈছে পৰভাষা কোৱাৰ খেলিমেলি।

## ১৪. যিবিলাকে ভাবি-চিন্তিয়েই ঈশ্বৰৰ আজ্ঞাবোৰক উলঙ্ঘন কৰে তেওঁবিলাকত পবিত্ৰ আত্মা সোমাই নে?

**যোহন ১৪:১৫-১৭** *তোমালোকে যদি মোক প্ৰেম কৰা, তেন্তে মোৰ ______________________ পালন কৰিব। আৰু মই পিতৃৰ আগত প্ৰাৰ্থনা নিবেদন কৰিম ... তেওঁ আন এজন সহায়কৰ্ত্তা অৰ্থাত ______________________ আত্মা তোমালোকক দিব।*

**পাচনিকৰ্ম ৫:৩২** *ঈশ্বৰে তেওঁৰ আজ্ঞা ______________________ দিয়া যি পবিত্ৰ আত্মা।*

**টোকা:** ভয়ঙ্কৰ শক্তি সম্পন্ন পবিত্ৰ আত্মা সেই সকলত নিবাস কৰিব নোৱাৰে যি সকলে ঈশ্বৰৰ আজ্ঞাবোৰক বাধ্যতাৰে মানিবলৈ অমান্তি হয়।

## ১৫. পৌলৰ বিবৰণিৰ মতে আমি কোনটো আত্মিক বৰক আকাংক্ষা কৰা উচিত?

**১ম কৰিন্থীয়া ১৪:৪, ৫** *যি জনে পৰভাষা কয়, তেওঁ নিজকে ধৰ্ম্মত বৃদ্ধি কৰে; কিন্তু যি জনে ঐশ্বৰিক ভাবোক্তি প্ৰচাৰ কৰে, তেওঁ মন্ডলিৰ মানুহক বৃদ্ধি কৰে। তোমালোকে সকলোৱে যেন পৰভাষা কোৱা, এই মোৰ ইচ্ছা; কিন্তু তাতকৈ ভাবোক্তি যেন প্ৰচাৰ কৰা, ইয়ালৈ মোৰ বৰ ইচ্ছা; আৰু পৰভাষা কোৱা জনে, মন্ডলিয়ে ধৰ্ম্মত বৃদ্ধি পাবলৈ যদি অৰ্থ নুবুজায়, তেন্তে এনে জনতকৈ ______________________ প্ৰচাৰ কৰা জন শ্ৰেষ্ঠ।*

**১ম কৰিন্থীয়া ১৪:১২** *এতেকে তোমালোকেও, আত্মাৰ বিবিধ বৰলৈ হাবিয়াহ কৰিছা যেতিয়া, ______________________ ধৰ্ম্মত ______________________ পাবলৈ, তাত উপচি পৰিবলৈ যত্ন কৰা।*

**টোকা:** পৰভাষা কোৱা বৰতকৈ, ভাবোক্তি প্ৰচাৰ কৰা বৰৰ ওপৰত পৌলে অধিক গুৰুত্ব দিয়াৰ পিছতো, কিছুমানে এতিয়াও শিকাই আছে যে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা প্ৰত্যকজন ব্যক্তিয়ে হেনো পৰভাষা কব। ঈশ্বৰে তেওঁৰ লোকসকলক পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ কৰা ২৫টাতকৈ অধিক উদাহৰণৰ মাজত,পৰভাষা কোৱা বৰৰ উদাহৰণ ইয়াত মাত্ৰ তিনিবাৰহে উল্লেখ আছে। পাচনি পৌলৰ দ্বাৰাই লিখা নতুন নিয়ম বাইবেলৰ ১৪ খন পুস্তকত, তেওঁ পৰভাষা কোৱাৰ ক্ষেত্ৰত মাত্ৰ এবাৰহে উল্লেখ কৰিছে-১ম কৰিন্থীয়াত। নতুন নিয়মৰ ২৭ খন পুস্তকত, পৰভাষা কোৱাৰ ওপৰত মাত্ৰ তিনিবাৰহে উল্লেখ আছে।

### ১৬. ঈশ্বৰে তেওঁৰ লোকবিলাকক পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ কৰাৰ প্ৰধান কাৰণ কি?

**পাচনিকৰ্ম ১:৮** *কিন্তু যেতিয়া তোমালোকৰ ওপৰলৈ পবিত্ৰ আত্মা আহিব, তেতিয়া তোমালোকে ____________________ পাবা ... আৰু পৃথিৱীৰ সীমালৈকে তোমালোক মোৰ ____________________ হবা।*

**পাচনিকৰ্ম ৪:৩১** *আৰু সকলোৱে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ, ঈশ্বৰৰ ____________________ ____________________ কলে।*

**টোকা:** সাক্ষী দিয়াৰ নিমিত্তে ঈশ্বৰে আমাক শক্তি ক্ষমতা প্ৰদান কৰিবলৈ পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ কৰে।

### ১৭. এজন ব্যক্তি পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈছে নে নাই হোৱা তাক কবলৈ সম্ভৱ নে বাৰু?

**মথি ৭:২০** *এতেকে তোমালোকে ____________________ দ্বাৰাই সিহঁতক চিনিবা।*

**টোকা:** আমি নিৰ্ণয় কৰো যে এজন ব্যক্তিয়ে পবিত্ৰ আত্মাৰেহে বাপ্তিস্ম পায় আত্মাৰ বৰৰ দ্বাৰাই নাপায়, কিন্তু আত্মাৰ ফলবোৰৰ দ্বাৰাই পায়, সেইবোৰ হৈছে, প্ৰেম, আনন্দ, শান্তি, চিৰসহিষ্ণুতা, মৰম, মঙ্গলভাৱ, বিশ্বাস, মৃদুভাৱ, ইন্দ্ৰিয়দমন. (গালাতীয়া ৫:২২, ২৩)।

### ১৮. পবিত্ৰ আত্মাৰ বাপ্তিস্ম মই কেনেকৈ লাভ কৰিব পাৰোঁ?

**লূক ১১:১৩** *এতেকে তোমালোকে দুৰ্জন হৈয়ো নিজ নিজ সন্তানবিলাকক যদি ভাল বস্তু দিব জানা, তেন্তে তাতকৈয়ো তোমালোকৰ স্বৰ্গত থকা পিতৃয়ে, তেওঁত ____________________ পবিত্ৰ আত্মা নিদিব নে!*

**টোকা:** যীচুৰ লগত যেনেকৈ জুখিব নোৱাৰা পৰিমানৰ পবিত্ৰ আত্মা আছিল, আমিয়ো আমাৰ পাত্ৰবোৰ উপচি পৰাকৈ পবিত্ৰ আত্মা পাবলৈ ঈশ্বৰক খুজিব পাৰো, কিন্তু প্ৰথমতে আমি আমাৰ হৃদয়বোৰ সমৰ্পণ কৰাৰ দ্বাৰাই আমি নিজকে খালী কৰিবলৈ ইচ্ছা কৰিব লাগিব।

# আপোনাৰ সহাৰি

*যীচুৱে আপোনাৰ জীৱনলৈ পবিত্ৰ আত্মাৰ বহুমূলীয়া তেল বাকি দিবলৈ অপেক্ষা কৰি আছে আৰু ব্যাকুল হৈ আছে। আপোনাৰ মন আৰু হৃদয়খনক অধিকাৰ কৰি লবলৈ আপুনি এতিয়াই তেওঁক মাতিব নে?*

***উত্তৰ:*** ____________________


©2024 Amazing Facts India
All Rights Reserved Printed in India
**+91 916 916 4480 | AFTV.in**
অধিক উত্থানশীল, জীৱন পৰিৱৰ্তনকাৰী সম্পদৰ বাবে পৰিদৰ্শন কৰক **Bookstore.AFTV.in** ASSAMESE